*Total number of pages—16*

**27T LOPH**

# 2017

# LOGIC AND PHILOSOPHY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

***The figures in the margin indicate full marks for the questions.***

| | |
|---|---|
| *Q. No.* **1** *carries* **1** *mark each* | 1×12 = 12 |
| *Q. No.* **2–13** *carries* **2** *marks each* | 2×12 = 24 |
| *Q. No.* **14–23** *carries* **4** *marks each* | 4×10 = 40 |
| *Q. No.* **24–27** *carries* **6** *marks each* | 6×4 = 24 |
| | Total = 100 |

*Contd.*

1. Give very short answer : 1×12=12

অতি চমু উত্তৰ দিয়া ঃ

(a) What is the essence of induction proper?

যথাৰ্থ আগমনৰ মূল লক্ষণ কি ?

(b) Is perfect induction an induction proper?

পূৰ্ণ আগমন যথাৰ্থ আগমন হয়নে ?

(c) What is the ground of Analogy?

সাদৃশ্যানুমানৰ ভিত্তি কি ?

(d) "A cause is the sum-total of conditions positive and negative taken together" — who said the statement?

"কাৰণ হৈছে অনুকূল আৰু প্ৰতিকূল সমূহ উপকাৰণৰ সমষ্টি"। উক্তিটো কোনে কৈছিল ?

(e) "The law of causation is the material ground of induction" – is it true?

"কাৰ্য-কাৰণ বিধি হৈছে আগমনৰ বস্তুগত ভিত্তি" —কথাষাৰ সঁচা নে ?

(f) What is 'Vera Causa'?

'বাস্তৱ কাৰণ' কাক বোলে ?

(g) What is the meaning of the Latin word 'Mores'?

লেটিন ভাষাৰ 'Mores' শব্দটোৰ অৰ্থ কি ?

(h) Who is the founder of Scientific realism?

বৈজ্ঞানিক বাস্তৱবাদৰ প্ৰৱৰ্তক কোন ?

*(i)* "Observation is finding a fact and experiment is making one" — Who said this?

"নিৰীক্ষণ হৈছে ঘটনাৰ আবিষ্কাৰ আৰু পৰীক্ষণ হৈছে ঘটনাৰ সৃষ্টি" — কথাষাৰ কোনে কৈছিল ?

*(j)* How many purusarthas are there?

পুৰুষাৰ্থ কেই প্ৰকাৰৰ ?

*(k)* Is ethics a positive science?

নীতিবিদ্যা বিষয়নিষ্ঠ বিজ্ঞান হয়নে ?

*(l)* From which Sanskrit root the word 'Dharma' is derived?

'ধৰ্ম' শব্দটো কি সংস্কৃত ধাতুৰ পৰা উদ্ভৱ হৈছে ?

2. Define scientific induction? 2

বৈজ্ঞানিক আগমনৰ সংজ্ঞা দিয়া।

3. Explain very briefly why the conclusion of unscientific induction is probable. 2

অবৈজ্ঞানিক আগমনৰ সিদ্ধান্ত কিয় সম্ভাৱনামূলক হয় অতি চমুকৈ ব্যাখ্যা কৰা।

4. Why observation and experiment are called the material grounds of induction? 2

পৰীক্ষণ আৰু নিৰীক্ষণক কিয় আগমন অনুমানৰ বস্তুগত ভিত্তি বুলি কোৱা হয়?

5. State *two* advantages of simple observation. 2

সৰল নিৰীক্ষণৰ *দুটা* সুবিধা উল্লেখ কৰা।

**Or / নাইবা**

What do you mean by 'Paradox of Induction'? 2

'আগমনৰ বিৰোধাভাষ' বুলিলে কি বুজা ?

6. Mention *two* features of scientific realism. 2

বৈজ্ঞানিক বাস্তৱবাদৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

7. Define primary qualities with examples. 2

মুখ্য গুণৰ সংজ্ঞা লিখি উদাহৰণ দিয়া।

8. What is the meaning of 'esse est percipii'? 2

'প্ৰত্যক্ষতে বস্তু বিদ্যমান' বোলা কথাযাৰৰ অৰ্থ কি ?

9. Name the form of idealism with which dialectical method is associated. State the name of the philosopher who advocated this method. 2

দ্বন্দ্বাত্মক পদ্ধতিৰ লগত জড়িত ভাৱবাদ প্ৰকাৰ বিধৰ নাম লিখা। এই পদ্ধতিটো পোষকতা কৰা দাৰ্শনিক জনৰ নাম লিখা।

10. State *two* features of objective idealism. 2

বস্তুগত ভাৱবাদৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

11. Why is habitual action considered as an object of moral judgement? 2

অভ্যাসজনিত ক্ৰিয়াক নৈতিক অৱধাৰণৰ বিষয়বস্তু বুলি কিয় গণ্য কৰা হয়?

12. State the second canon of elimination. Name the experimental method which is based on this canon of elimination. 1+1=2

অপসৰণৰ দ্বিতীয় সূত্ৰটো উল্লেখ কৰা। এই সূত্ৰটোৰ ওপৰত প্ৰতিষ্ঠিত পৰীক্ষণ মূলক প্ৰণালীটোৰ নাম লিখা।

**Or /** *নাইবা*

State *one* advantage of the method of Agreement. Why is this method called the method of discovery ?

অন্বয়ী প্ৰণালীৰ *এটা* সুবিধা উল্লেখ কৰা। এই প্ৰণালীক কিয় আবিষ্কাৰৰ পদ্ধতি বুলি কোৱা হয় ?

13. State *two* points of difference between inductive and deductive inference. 2

আগমনাত্মক আৰু নিগমনাত্মক অনুমানৰ মাজত থকা *দুটা* পাৰ্থক্য উল্লেখ কৰা।

14. Explain the meaning of 'Varnasrama dharma'. 4

'বৰ্ণাশ্ৰম ধৰ্মৰ' অৰ্থ ব্যাখ্যা কৰা।

15. State Flint's definition of religion. 4

ধৰ্ম সম্পৰ্কে ফ্লিন্টে দিয়া সংজ্ঞাটো উল্লেখ কৰা।

**Or / নাইবা**

Mention *any four* characteristics of religion. 4

ধৰ্মৰ *যিকোনো চাৰিটা* বৈশিষ্ট্য উল্লেখ কৰা।

16. Mention *two* practical imperfections of the method of Agreement. 4

অন্বয়ী পদ্ধতিৰ *দুটা* ব্যৱহাৰিক অপূৰ্ণতা উল্লেখ কৰা।

17. State *two* points of similarity between religion and morality. 2+2=4

ধৰ্ম আৰু নৈতিকতাৰ *দুটা* সাদৃশ্য উল্লেখ কৰা।

**Or / নাইবা**

State *four* points about the nature of hypothesis.

প্ৰকল্পৰ প্ৰকৃতি সম্পৰ্কে *চাৰিটা* বিষয় উল্লেখ কৰা।

18. Distinguish between good analogy and bad analogy. 4

সুসাদৃশ্যানুমান আৰু কুসাদৃশ্যানুমানৰ মাজত পাৰ্থক্য দেখুওৱা।

**Or / নাইবা**

Distinguish between cause and condition.

কাৰণ আৰু উপকাৰণৰ মাজত পাৰ্থক্য দেখুওৱা।

19. State along with brief explanations about the *four* conditions of a legitimate hypothesis. 4

চমু ব্যাখ্যা সহ এটা বৈধ প্ৰকল্পৰ *চাৰিটা* চৰ্ত উল্লেখ কৰা।

20. Write short note on the fallacy of post hoc ergo propter hoc. 4

কাকতালীয় দোষ সম্পৰ্কে এটা চমু টোকা লিখা।

21. Name the theory which states that external world can be known directly as it really is. Also, define this theory and state *one* important drawback of this theory. 1+2+1=4

বাহ্যিক জগত খনৰ প্ৰকৃত স্বৰূপ প্ৰত্যক্ষ ভাবে জানিব পৰা যায় বুলি উল্লেখ কৰা তত্বটোৰ নাম লিখা। লগতে এই তত্বটোৰ সংজ্ঞা আগবঢ়াই ইয়াৰ এটা গুৰুত্বপূৰ্ণ অসুবিধা উল্লেখ কৰা।

22. Write short note on "conflict of desires". 4

"কামনাৰ সংঘাট" সম্পৰ্কে এটা চমুটোকা লিখা।

***Or*** / *নাইবা*

What is voluntary action ? State the *three* stages of voluntary action. 1+3=4

ঐচ্ছিক ক্রিয়া কাক বোলে ? ঐচ্ছিক ক্রিয়াৰ স্তৰ *তিনিটা* উল্লেখ কৰা।

23. Define Berkeley's Subjective Idealism. Is Berkeley a solipsist ? 2+2=4

বাৰ্কলিৰ আত্মনিষ্ঠ ভাৱবাদৰ সংজ্ঞা দিয়া। বাৰ্কলি এজন আত্মবাদী দাৰ্শনিক হয়নে ?

24. Define unscientific induction with example. State why it is called 'Unscientific'? Mention briefly *three* characteristics of unscientific induction. 2+1+3=6

উদাহৰণ সহ অবৈজ্ঞানিক আগমনৰ সংজ্ঞা আগবঢ়োৱা। এইবিধ আগমনক কিয় 'অবৈজ্ঞানিক আগমন' বোলা হয় লিখা। অবৈজ্ঞানিক আগমনৰ *তিনিটা* বৈশিষ্ট্য চমুকৈ উল্লেখ কৰা।

**Or / নাইবা**

Define Analogy with example. Explain the characteristics of Analogy. 2+4=6

উদাহৰণ সহ সাদৃশ্যমূলক অনুমানৰ সংজ্ঞা লিখা। এইবিধ অনুমানৰ লক্ষণ সমূহ ব্যাখ্যা কৰা।

25. Define cause after Carveth Read and explain briefly the qualitative marks of a cause. 2+4=6

কাৰভেথ ৰীডক অনুসৰণ কৰি কাৰণৰ সংজ্ঞা দিয়া। কাৰণৰ গুণগত লক্ষণসমূহ চমুকৈ ব্যাখ্যা কৰা।

**Or / নাইবা**

What is experiment ? What are the advantages of experiment over observation ? 2+4=6

পৰীক্ষণ কি ? নিৰীক্ষণৰ তুলনাত পৰীক্ষণৰ সুবিধাবোৰ কি কি ?

26. Define hypothesis with a scientific example. Explain hypothesis concerning law and hypothesis concerning collocation. 2+4=6

এটা বৈজ্ঞানিক উদাহৰণ সহ প্ৰকল্পৰ সংজ্ঞা দিয়া। নিয়ম বিষয়ক প্ৰকল্প আৰু পাৰিপাৰ্শ্বিক সংস্থিতি বিষয়ক প্ৰকল্প কি ব্যাখ্যা কৰা।

***Or / নাইবা***

What are the different kinds of hypothesis according to Stebbing? Explain each of them with example. 2+4=6

ষ্টেবিঙৰ মতে বিভিন্ন প্ৰকাৰৰ প্ৰকল্পবোৰ কি কি? উদাহৰণ সহ প্ৰত্যেকৰে ব্যাখ্যা আগবঢ়োৱা।

27. State Mill's Canon of the method of Difference. Describe briefly *four* disadvantages or defects of this method. 2+4=6

ব্যতিৰেকী প্ৰণালী সম্পৰ্কে মিলৰ সূত্ৰ উল্লেখ কৰা। ব্যতিৰেকী প্ৰণালীৰ *চাৰিটা* অসুবিধা চমুকৈ বৰ্ণনা কৰা।

***Or* / *নাইবা***

Explain the method of Residues with example. Do you think it to be an improvement upon the method of Difference? Explain. 2+4=6

উদাহৰণ সহ পৰিশেষ পদ্ধতিটো ব্যাখ্যা কৰা। এই পদ্ধতিটো ব্যতিৰেকী পদ্ধতিৰ এক উন্নত সংস্কৰণ বুলি ভাবানে ? ব্যাখ্যা কৰা।

——— × ———